# স্পষ্টীকৰণ

'দৈনিক অগ্ৰদূত' কাকতৰ ১-৭-১৫ তাৰিখৰ সংখ্যাত প্ৰকাশিত ' আৰক্ষী বিষয়াৰ সহযোগতে দীৰ্ঘদিন চোৰাং তেলৰ ৰমৰমীয়া বেহা অব্যাহত' শীৰ্ষক বাতৰি সংক্ৰান্তত স্পষ্ট কৰি দিব খোজো এই যে শিৱসাগৰ আৰক্ষীয়ে যোৱা ইং ২৯-৬-১৫ তাৰিখে চেপন চুলপোৱা ৰাস্তাত তালাচী চলাই এখন বলেৰ' পিক-আপ ভানৰ পৰা বৃহৎ পৰিমানৰ চোৰাং 'কনডেনচেট্' তেল জব্দ কৰে আৰু গাড়ীখনৰ পৰা আটক কৰা চালক আৰু অন্য দুজনৰ জবানবন্দী মতে উক্ত দিনা শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ মৰাণ থানাৰ আৰক্ষীয়ে যৌথভাবে অভিযান চলাই মৰাণ থানাৰ অন্তৰ্গত চেপন চকলীয়াৰ ফুকন ধাবা আৰু কাষৰ অন্য এখন ধাবাৰ পৰা ২৪০০ (চৌবিশ শ) লিটাৰ কেৰাচিন তেল, ২০০ (দুশ) লিটাৰ 'কনডেনচেট্' আৰু ৪০০ (চাৰিশ) লিটাৰ সন্দেহযুক্ত খাৰুৱা তেল জব্দ কৰে। উক্ত সম্পৰ্কত মৰাণ থানাত গোচৰ নং ২১২/১৫ ভাঃ দঃ বিঃ আঃ ৩৭৯ ধাৰাৰ লগতে ২৩(১) (ক) পেট্ৰলিয়াম এক্টৰ ধাৰা ৰুজু কৰা হৈছে। উক্ত গোচৰ সংক্ৰান্তত তদন্ত চলি আছে আৰু ঘটনাৰ সৈতে জড়িত আচামী বিচাৰি থকা হৈছে।

ইতিমধ্যে খাৰুৱা তেলৰ চোৰাং বেহা সম্পৰ্কত ডিব্ৰুগড় জিলাৰ সকলো আৰক্ষী থানা আৰু চকিৰ ভাৰপ্ৰাপ্ত বিষয়াক চোকা নজৰ ৰাখিবৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে। প্ৰকাশ থাকে চোৰাং খাৰুৱা তেলৰ অবৈধ কাৰ্য্য সম্পৰ্কত মৰাণ থানাৰ গোচৰ নং ৫০/২০১৪ ভাঃ দঃ বিঃ আইনৰ ৩৭৯/৪৩৬/২৮৫/৩৪ ধাৰাৰ লগতে ধাৰা ২৩ (ক) পেট্ৰলিয়াম আইন আৰু গোচৰ নং ২৯/২০১৪ ভাঃ দঃ বিঃ আইনৰ ৩৭৯/৪৩৬/২৮৫/৩৪ ধাৰাৰ লগতে ধাৰা ২৩(১)(ক) পেট্ৰলিয়াম এক্ট আৰু ধাৰা ৭(১)(ক) অত্যাৱশ্যকীয় সামগ্ৰী এক্ট ৰুজু কৰি তদন্ত কৰা হৈছে। উক্ত গোচৰ নং ৫০/২০১৪ ৰ তদন্ত সম্পূৰ্ণ কৰি ইতিমধ্যে গ্ৰেপ্তাৰী পলকীয়াৰ বিৰুদ্ধে অভিযোগপত্ৰ দাখিল কৰা হৈছে। জয়পুৰ থানাৰ গোচৰ নং ৪০/২০১৫ ভাঃ দঃ বিঃ আইনৰ ৩৭৯ ধাৰাৰ লগতে ধাৰা ৩(২) (খ) পিঃ ডিঃ পিঃ পিঃ এক্ট, টিংখং থানাৰ গোচৰ নং ২১/২০১৫ ভাঃ দঃ বিঃ আইনৰ ৩৭৯ ধাৰাৰ লগতে ৩ পিঃ ডিঃ পিঃ পিঃ এক্ট ধাৰা ২৩ পেট্ৰলিয়াম এক্ট ৰুজু কৰি তদন্ত কৰা হৈছে।

আৰক্ষী অধীক্ষক
ডিব্ৰুগড় জিলা